**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-10-2023
**Time :** 1340 Hrs.

## *Assamese Midday Bulletin*

১) প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, ৰাজস্থান হৈছে এনে এখন ৰাজ্য য'ত দেশৰ শৌৰ্য-বীৰ্য-সমৃদ্ধি আৰু সংস্কৃতিত প্ৰাচীন ভাৰতৰ গৌৰৱ প্ৰতিফলিত হয়।

২) ছিকিমত ডাৱৰ বিস্ফোৰণৰ বাবে সৃষ্টি হোৱা তিস্তা নৈৰ আকস্মিক বানত ১৪ জন লোকে প্ৰাণ হেৰুওৱাৰ লগতে প্ৰায় ১০২ জন লোক সন্ধানহীন হৈ থকাৰ বাতৰি পোৱা গৈছে।

৩) আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত আজি পুৰুষৰ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথমখন খেল অনুষ্ঠিত হ'ব।

**আৰু**

৪) চীনত অনুষ্ঠিত এছিয়ান গেমছত এতিয়ালৈ ভাৰতে ১৯টা সোণ, ৩১ ৰূপ আৰু ৩২টা ব্ৰঞ্জসহ মুঠ ৮২টা পদক লাভ কৰিছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, ৰাজস্থান হৈছে এনে এখন ৰাজ্য যাৰ দেশৰ শৌৰ্য-সমৃদ্ধি আৰু সংস্কৃতিত প্ৰাচীন ভাৰতৰ গৌৰৱ প্ৰতিফলিত হয়। যোধপুৰত অনুষ্ঠিত এখন সভাত আজি প্ৰধানমন্ত্ৰীয়ে কয় যে, ভাৰতৰ প্ৰাচীন গৌৰৱক প্ৰতিনিধিত্ব কৰা ৰাজস্থানে দেশৰ ভৱিষ্যতক প্ৰতিনিধিত্ব কৰা উচিত। তেওঁ কয় যে, এয়া সম্ভৱ হ'ব যেতিয়া সমগ্ৰ ৰাজ্যখনে উন্নয়নৰ নতুন শিখৰ লাভ কৰিব। শ্ৰী মোদীয়ে উল্লেখ কৰে যে, কেন্দ্ৰীয় চৰকাৰে ৰাজস্থানৰ ৰে'ল আৰু পথ আন্তঃগাঁথনিৰ উন্নয়নৰ লগতে প্ৰতিটো খণ্ডৰ ক্ষিপ্ৰ বিকাশৰ বাবে কাম কৰি আছে। কেন্দ্ৰীয় চৰকাৰে এই বছৰ ৰাজস্থানৰ ৰে'লৰেৰ বাবে প্ৰায় ৯ হাজাৰ ৫০০ কোটি টকাৰ বাজেটত অনুমোদন জনাইছে বুলি প্ৰধানমন্ত্ৰীয়ে লগতে উল্লেখ কৰে। দেশ স্বাধীন হোৱাৰ পাছৰ পৰা ২০১৪ চনলৈকে ৰাজস্থানত কেৱল ৬০০ কিলোমিটাৰ ৰে'লপথহে বৈদ্যুতিকীকৰণ কৰা হৈছিল বুলি উল্লেখ কৰি শ্ৰী মোদীয়ে কয় যে, বৰ্তমানৰ চৰকাৰে বিগত ৯ বছৰত ৩ হাজাৰ ৭০০ কিলোমিটাৰৰো অধিক ৰে'লপথ বৈদ্যুতিকীকৰণ কৰিছে। তেওঁ কয় যে, ৰে'ল আৰু পথ প্ৰকল্পসমূহে ৰাজ্যখনক বিকাশৰ নতুন শিখৰলৈ লৈ যাব।

প্ৰধানমন্ত্ৰী মোদীয়ে আজি যোধপুৰত পথ, ৰে'ল, বিমান, স্বাস্থ্য আৰু উচ্চশিক্ষা খণ্ডক সামৰি প্ৰায় ৫ হাজাৰ কোটি টকাৰ কেইবাটাও উন্নয়নমূলক প্ৰকল্প ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰে। এই প্ৰকল্পৰ ভিতৰত যোধপুৰত এইমছৰ ৩৫০ খন বিছনাযুক্ত ট্ৰ'মা চেণ্টাৰ আৰু জটিল সেৱা খণ্ড, আই আই টি যোধপুৰৰ চৌহদ, ৰাজস্থান কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ আন্তঃগাঁথনি অন্যতম। প্ৰধানমন্ত্ৰীয়ে কেইবাটাও পথ, উন্নয়ন প্ৰকল্প মুকলি কৰাৰ লগতে ১৪৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ ডেগানা- ৰাই কা বাগৰ ৰে'লপথৰ দ্বৈতকৰণ আৰু ৫৮ কিলোমিটাৰ দৈৰ্ঘ্যৰ ডেগানা কুচামান চিটী ৰে'ল লাইন ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰে।

০০০০

ছিকিমত ডাৱৰ বিস্ফোৰণৰ বাবে সৃষ্টি হোৱা তিস্তা নৈৰ আকস্মিক বানত ১৪ জন লোকে প্ৰাণ হেৰুওৱাৰ লগতে প্ৰায় ১০২ জন লোক সন্ধানহীন হৈ থকাৰ বাতৰি পোৱা গৈছে। ৰাজ্যখনত আকস্মিক বানত ১১ খন দলং ভাঙি যোৱাৰ লগতে প্ৰায় ২২ হাজাৰ লোক ক্ষতিগ্ৰস্ত হৈছে। ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী এন ডি আৰ এফৰ ৩টা দলে উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে। আনহাতে, গুৱাহাটী আৰু পাটনাৰ পৰাও দুটা দল ছিকিমলৈ বুলি ৰাওনা হৈছে। বতৰ অনুকূল হ'লে ছুংথাং অঞ্চলৰ পৰা এন ডি আৰ এফৰ দলটো বিমানেৰে লৈ অহা হ'ব। একেদৰে ছুংথাং, লাছেন আৰু লাচুঙৰ জনসাধাৰণৰ বাবে অত্যাৱশ্যকীয় সামগ্ৰীসমূহ বিমানেৰে যোগান ধৰা হ'ব। ইফালে, ছুংথাং বান্ধৰ পানী হঠাৎ এৰি দিয়াত কেতবোৰ অঞ্চলত পানীৰ স্তৰ ১৫ৰ পৰা ২০ ফুট উচ্চতালৈ বৃদ্ধি পাইছে। ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনীয়ে ইতিমধ্যে দুহেজাৰৰো অধিক লোকক সাহায্য শিবিৰলৈ প্ৰেৰণ কৰিছে। ছিকিম আৰক্ষীয়ে বানত আক্ৰান্ত লোকসকলৰ বাবে কেইবাটাও হেল্পলাইন নম্বৰ মুকলি কৰিছে। ০৩৫৯২-২০২৮৯২, ০৩৫৯২-২২১১৫২ লেণ্ডলাইন নম্বৰ আৰু ৮০০১১৭৬৩৩৮৩ ম'বাইল নম্বৰৰ লগতে তাৎক্ষণিক সাহায্যৰ বাবে ১১২ নম্বৰত যোগাযোগ কৰিব পাৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি চিকিমৰ মুখ্যমন্ত্ৰী প্ৰেম সিং তামাঙৰ সৈতে কথা পাতে আৰু পৰিস্থিতিৰ বুজ লয়। প্ৰধানমন্ত্ৰীয়ে মুখ্যমন্ত্ৰী তামাঙক যথাসম্ভৱ সকলো ধৰণৰ সহায় আগবঢ়োৱাৰ আশ্বাস দিয়ে আৰু প্ৰভাৱিত লোকসকলৰ নিৰাপত্তা আৰু কল্যাণৰ হ'কে প্ৰাৰ্থনা জনায়।

ৰাজ্যখনৰ মুখ্য সচিব বিজয়ভূষণ পাঠকে এই আকস্মিক বানত হোৱা ক্ষয়-ক্ষতিৰ পৰ্যালোচনা কৰাৰ বাবে ভাৰত চৰকাৰৰ কেবিনেট সচিব ৰাজীৱ গৌবাৰ সভাপতিত্বত অনুষ্ঠিত ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা সমিতিৰ এখন বৈঠকত ভাৰ্চুৱেল ব্যৱস্থাৰে অংশ লয়।

ইপিনে, ভাৰতীয় সেনাই সন্ধানহীন হৈ থকা ২২ গৰাকী সৈনিকক বিচাৰি উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে। আনহাতে, উত্তৰ ছিকিমৰ ছুংথাং, লাছুং আৰু লাছেনত আবদ্ধ হৈ থকা সাধাৰণ নাগৰিক তথা পৰ্যটকৰ বাবে ভাৰতীয় সেনাৰ ত্ৰিশক্তি বাহিনীয়ে চিকিৎসা সাহায্য আৰু টেলিফোন সংযোগ বৃদ্ধি কৰিছে। তাৰোপৰি চিংটাম এলেকাৰ সমীপৰ বুৰডাঙত বোকাময় পানীৰ তলত ডুব যোৱা বাহনসমূহ খান্দি উলিওৱাৰ বাবে চেষ্টা অব্যাহত আছে। বৰ্তমান সন্ধানহীন হোৱা লোকসকলক উদ্ধাৰৰ বাবে তিস্তা নদীৰ তলৰ অঞ্চলসমূহত অভিযান চলোৱা হৈছে। উল্লেখযোগ্য যে, আৰম্ভণিতে সন্ধানহীন হোৱা ২৩ জন লোকৰ এজনক কালি সন্ধিয়া জীৱিত অৱস্থাত উদ্ধাৰ কৰা হয়। ইতিমধ্যে নিৰুদ্দেশ হোৱা লোকসকলৰ পৰিয়ালৰ সৈতে যোগাযোগ কৰি পৰিস্থিতিৰ বিষয়ে অৱগত কৰা হৈছে। আনহাতে ছিকিম আৰু উত্তৰবংগত থকা ভাৰতীয় সেনাৰ সকলো জোৱান নিৰাপদ অৱস্থাত আছে আৰু ম'বাইল যোগাযোগৰ ব্যাঘাতৰ বাবে তেওঁলোকে পৰিয়ালৰ সদস্যৰ সৈতে যোগাযোগ কৰিব পৰা নাই বুলি জানিব পৰা গৈছে।

০০০০

কেন্দ্ৰীয় তথ্য সম্প্ৰচাৰ আৰু যুৱ পৰিক্ৰমা তথা ক্ৰীড়া মন্ত্ৰী অনুৰাগ সিং ঠাকুৰে আজি ৰায়পুৰত ৰাজ্যিক পৰ্যায়ৰ যুৱ মহোৎসৱ মুকলি কৰে। নেহৰু যুৱ কেন্দ্ৰ সংগঠনে এই মহোৎসৱৰ আয়োজন কৰিছে। অনুষ্ঠানত ভাষণ দি মন্ত্ৰীগৰাকীয়ে কয় যে, বিশ্বত ভাৰতৰ শক্তিক আৰু অধিক শক্তিশালী কৰি তুলিব লাগিব।

ক্ৰীড়া-সংস্কৃতি আৰু বোলছবিৰ জৰিয়তে এয়া সম্ভৱ। শ্ৰী ঠাকুৰে কয় যে, চীনত অনুষ্ঠিত এছিয়ান গেমছ প্ৰতিযোগিতাত ভাৰতৰ খেলুৱৈসকলে উৎকৃষ্ট প্ৰদৰ্শনেৰে ভাৰতক গৌৰৱান্বিত কৰিছে। তেওঁ যুৱক-যুৱতীসকলক পৰিৱেশ, শিক্ষা, স্বাস্থ্য, স্বচ্ছতা আদি যিকোনো বিষয় বাছি লোৱাৰ বাবে আহ্বান জনায়। তেওঁ কয় যে, ইয়াৰ দ্বাৰা তেওঁলোকে নিজৰ নিজৰ ক্ষেত্ৰখনত অহা ২৫ বছৰত বহু ইতিবাচক পৰিৱৰ্তন অনাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব। শ্ৰী ঠাকুৰে কয় যে, যুৱক-যুৱতীসকলৰ সহযোগিতাত ভাৰত ২০৪৭ চনৰ ভিতৰত উন্নত দেশ হিচাপে পৰিগণিত হ'ব। অমৃতকালৰ বিষয়বস্তুক লৈ এই দুদিনীয়া যুৱ মহোৎসৱৰ আয়োজন কৰা হৈছে।

০০০০

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ে ২০২৩ বৰ্ষৰ ৰাষ্ট্ৰীয় ক্ৰীড়া পুৰস্কাৰৰ বাবে আৱেদন বিচাৰিছে। পুৰস্কাৰৰ বাবে যোগ্য খেলুৱৈ, প্ৰশিক্ষক, প্ৰতিষ্ঠান আৰু বিশ্ববিদ্যালয়সমূহে ২ নৱেম্বৰৰ ভিতৰত dbtyas-sports.gov.in প'ৰ্টেলত আৱেদন দাখিল কৰিব লাগিব। অন্তিম তাৰিখৰ পাছৰ আৱেদনসমূহ বিবেচনা কৰা নহ'ব। যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ে প্ৰতিবছৰে ক্ৰীড়া বঁটাৰ বাবে আৱেদন বিচাৰে। ২০২৩ বৰ্ষৰ এই ক্ৰীড়া বঁটাসমূহৰ বাবে আৱেদন বিচাৰি জাৰি কৰা অধিসূচনা ইতিমধ্যে www.yas.nic.in ৱেবছাইটত আপলোড কৰা হৈছে।

০০০০

আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত আজি পুৰুষৰ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথমখন খেল অনুষ্ঠিত হ'ব। নিউজিলেণ্ড আৰু ইংলেণ্ডৰ মাজত হ'বলগীয়া খেলখন কিছুসময় পাছতে হ'ব। আমাৰ সংবাদদাতাই জনাইছে যে, এইবাৰৰ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আহমেদাবাদত ১৪ অক্টোবৰৰ ভাৰত-পাকিস্তানৰ খেলসহ মুঠ ৫ খন খেল অনুষ্ঠিত হ'ব। আহমেদাবাদতে অহা ১৯ নৱেম্বৰত বিশ্বকাপ ক্ৰিকেটৰ ফাইনেল খেলখন খেলোৱা হ'ব।

০০০০

চীনত অনুষ্ঠিত এছিয়ান গেমছত এতিয়ালৈকে ভাৰতে ১৯টা সোণ, ৩১ ৰূপ আৰু ৩২টা ব্ৰঞ্জসহ মুঠ ৮২টা পদক লাভ কৰিছে। পদক তালিকাৰ ভাৰত বৰ্তমান চতুৰ্থ স্থানত আছে। এছিয়ান গেমছৰ ইতিহাসত এয়া ভাৰতৰ বৰ্তমানলৈ সৰ্বশ্ৰেষ্ঠ প্ৰদৰ্শন। ইয়াৰ পূৰ্বে জাকাৰ্টাত অনুষ্ঠিত অষ্টদশ এছিয়ান গেমছ প্ৰতিযোগিতাত ভাৰতে ৭০টা পদক লাভ কৰিছিল। আজি প্ৰতিযোগিতাৰ দ্বাদশ দিনা ভাৰতৰ জ্যোতি পৰনীত আৰু অদিতিয়ে আৰ্চাৰীৰ কম্পাউণ্ড শাখাত সোণৰ পদক অৰ্জন কৰে। দলটোৱে চীনা টাইপেইক ২৩০-২২৮ ফলাফলত পৰাস্ত কৰে। ইপিনে, মহিলাৰ মল্লযুদ্ধত ৫০ কিলোগ্ৰাম শাখাত পূজা গেহলটে ছেমিফাইনেলত কানাডাৰ প্ৰতিদ্বন্দ্বীৰ হাতত ৬-৯ ফলাফলত পৰাজয় বৰণ কৰে। এতিয়া খেলুৱৈগৰাকীয়ে ব্ৰঞ্জৰ পদকৰ বাবে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। ইপিনে, ৫৭ কিলোগ্ৰাম শাখাত মানচিয়ে কোৰিয়াৰ খেলুৱৈৰ বিৰুদ্ধে ২-০ ফলাফলত জয়লাভ কৰে। আজি প্ৰতিযোগিতাৰ দ্বাদশ দিনা কেইবাটাও শাখাৰ খেল অনুষ্ঠিত হ'ব। দীপিকা পাল্লিকল আৰু হৰিন্দৰ পাল সিঙৰ যুটিটোৱে আজি স্কোৱাছৰ মিক্সড ডাবলছ শাখাৰ ফাইনেলত অৱতীৰ্ণ হোৱাৰ বিপৰীতে সৌৰভ ঘোষালে পুৰুষৰ একক শাখাৰ ফাইনেল খেলিব। আনহাতে ভাৰতৰ মহিলাৰ হকী দলটো ছেমিফাইনেলত চীনৰ

মুখামুখি হ'ব। আজি কাবাদী, মল্লযুদ্ধ, দবা, ৰ'লাৰ্ছ স্কেটিং শাখাৰ প্ৰতিযোগিতাসমূহ অনুষ্ঠিত হ'ব য'ত ভাৰতৰ খেলুৱৈসকলে উৎকৃষ্ট প্ৰদৰ্শন আগবঢ়াব বুলি আশা কৰা হৈছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এছিয়ান গেমছৰ মহিলাৰ কম্পাউণ্ড শাখাত সোণৰ পদক লাভ কৰা মহিলা খেলুৱৈসকলক শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমত দিয়া এটা পʼষ্টত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে, জ্যোথি সুৰেখ ৱেন্নম, পৰনীত কৌৰ আৰু অদিতি গোপীচান্দৰ উৎকৃষ্ট প্ৰদৰ্শনে দেশক গৌৰৱান্বিত কৰিছে। তেওঁ কয় যে, তেওঁলোকৰ অসাধাৰণ দক্ষতা আৰু দলীয় প্ৰয়াসৰ ফলতে এই জয় সম্ভৱ হৈছে।

০০০০

০০০০০

**সমাপ্ত**